# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-04-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
- - - - - - - - - - - - - -

১। পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ ২৪ ঘণ্টাৰো কম সময় বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত।

২। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ চলিত বৰ্ষৰ ফলাফল কাইলৈ পুৱা ৯ বজাত ঘোষণা।

৩। গুৱাহাটীৰ চিবিআই আদালতত বিচৰাধীন হৈ থকা এন ডি এফ বিৰ বিৰুদ্ধে থকা ৯টা গোচৰ সংশ্লিষ্ট জিলাৰ ছেছন আদালতলৈ স্থানান্তৰৰ সিদ্ধান্ত।

৪। তেজপুৰ বিশ্ববিদ্যালয়ৰ ২০২৫-২৬ শৈক্ষিক বৰ্ষত বি টেক, এম বি একে ধৰি ৮টা নতুন পাঠ্যক্ৰম মুকলি।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দেলহী কেপিটেলছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

অহা ২ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ কাইলৈ সামৰণি পৰিব। নিৰ্বাচন উপলক্ষে বিভিন্ন ৰাজনৈতিক দলৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ ৰঙিয়া আৰু দৰঙত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। দৰং জিলাৰ চিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত দিপিলাৰ খটৰা সত্ৰ চৌহদত আয়োজিত এখন সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ সৰ্বাঙ্গীন কল্যানৰ বাবে বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী জয়ী কৰাবলৈ জনসাধাৰণক আহ্বান জনায়। এই সভাত ৰাজ্যিক বিজেপিৰ সভাপতি তথা দৰং ওদালগুৰি লোকসভা

সমষ্টিৰ সাংসদ দিলিপ শইকীয়া, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ উপৰি বিজেপি আৰু অসম গণ পৰিষদ দলৰ ভালেসংখ্যক নেতা কৰ্মীয়ে অংশগ্ৰহণ কৰে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাৰ্ঘেৰিটাৰ নগাপথাৰ ৰংগমঞ্চত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দিয়ে। এই সভাত স্থানীয় বিধায় ভাস্কৰ শৰ্মাৰ লগতে দলৰ কেইবাগৰাকী শীৰ্ষ নেতাই অংশগ্ৰহণ কৰে।

কাছাৰ জিলাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। আজি শাসকীয় বিজেপিৰ হৈ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কাছাৰ জিলাৰ ওদাৰবন্দ সমষ্টিৰ শালগংগা জিলা পৰিষদৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়।

মন্ত্ৰী কেশৱ মহন্তই আজি বৰাক উপত্যকাৰ শ্ৰীভূমি জিলাৰ লাঠিৰঘাট ৰাণীবাৰী গাঁৱত লক্ষীৰ বাজাৰ জিলা পৰিষদৰ মিত্ৰজোটৰ প্ৰাৰ্থী গৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এই সভাত সাংসদ মিচন ৰঞ্জন দাসেও অংশ লয়। মন্ত্ৰী মহন্তই আজি জিলাখনৰ নিলাম বজাৰ আৰু কাছাৰ জিলাৰ শ্ৰীকোণাত নিৰ্বাচন প্ৰচাৰ সভাত অংশ লয়। অসম গণ পৰিষদৰ নেতা তথা মন্ত্ৰী অতুল বৰাই আজি বোকাখাটৰ গৰিয়াজান বাগিচা, ৰঙামাটি চেউনি কমাৰগাওঁকে ধৰি বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। ইপিনে, বিৰোধী দল কংগ্ৰেছেও ৰাজ্যৰ বিভিন্ন প্ৰান্ত ব্যাপক প্ৰচাৰ অব্যাহত ৰাখিছে। দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি জহিন চাহ বাগিছাত জনসাধাৰণক সম্বোধি প্ৰচাৰ সভাত ভাষণ দিয়ে। শ্ৰীবৰাই আজি এখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছ চৰকাৰৰ দিনত মহিলাসকলে চাকৰি লাভ কৰা সন্দৰ্ভত অপ্ৰীতিকৰ মন্তব্য কৰা বুলি অভিযোগ তোলে। দলৰ নেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীয়েও আজি সামাজিক মাধ্যমযোগে অভিযোগ তোলে। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে আজি শিৱসাগৰ আৱৰ্ত ভৱনত সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলে ভাল ফলাফল লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। দলটোৱে আয়োজন কাৰ সভাসমূহত মহিলাৰ অংশগ্ৰহণ অধিক বুলিও তেওঁ উল্লেখ কৰে।

কংগ্ৰেছ দলৰ নেতা ৰিপুণ বৰাই আজি গহপুৰ বিধানসভা সমষ্টিৰ ৰজাবাৰী ৰংগমঞ্চত আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক মনোজ চৌহান আৰু অসম প্ৰদেশ কংগ্ৰেছ মহিলা সমিতিৰ সভানেত্ৰী মীৰা বৰঠাকুৰৰ উপৰি বিশ্বনাথ জিলাৰ দলীয় নেতৃবৰ্গ উপস্থিত থাকে। অসম জাতীয় পৰিষদ দলৰ হৈ আজি দলৰ নেতা লুৰিণজ্যোতি গগৈয়ে বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। প্ৰচাৰ সভাত দিয়া ভাষণত শ্ৰীগগৈয়ে শাসনাধিস্থিত বিজেপি চৰকাৰক সমালোচনা কৰে।

ooooo

দুটা পৰ্যায়ত অহা ২ আৰু ৭ মে'ত হবলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে আজি পঞ্চায়ত নিৰ্বাচনৰ বিভন্ন কাম কাম শৃংখলাবদ্ধভাৱে সম্পাদন কৰিবলৈ গঠন কৰা বিভিন্ন কোষৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ সভাত মিলিত হয়। সভাত জিলা আয়ুক্তগৰাকীয়ে বিষয়াসকলৰ পৰা নিৰ্বাচনী কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ ভোটগ্ৰহণ কেন্দ্ৰৰ সা-সুবিধা, খোৱাপানীৰ ব্যৱস্থা, বিদ্যুৎ সংযোগ তথা অনাময় ব্যৱস্থাৰ বুজ লয়। ভোটগ্ৰহণৰ কামত নিয়োজিত বিষয়া কৰ্মচাৰীয়ে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় সেই বিষয়ে গুৰুত্ব আৰোপ কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। শোণিতপুৰ জিলাৰ আয়ুক্ত অংকুৰ ভড়ালীৰ অধ্যক্ষতাত আজি নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত জিলা প্ৰশাসনৰ বিষয়ববীয়া, নিৰ্বাচনী পৰ্যবেক্ষক তথা জিলাসমূহৰ জ'নেল আৰু চেক্টৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

ধেমাজী জিলাত ২ মে'ত হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা নিৰ্বাচনী বিভাগৰ নিৰ্দেশমৰ্মে প্ৰশাসনে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত প্ৰয়োজনীয় ব্যৱস্থা সম্পূৰ্ণ কৰাৰ লগতে দায়িত্বপ্ৰাপ্ত বিষয়াসকলৰ প্ৰশিক্ষণো সম্পন্ন হৈছে।

**ৰাইট**

জিলাখনত প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে ডাক বেলটযোগে ভোটদান আজি আৰম্ভ হৈছে। নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া তথা আৰক্ষীৰ লোকসকলে আজিৰে পৰা ভোটদান কৰিছে। জোনাই সমজিলাতো আজি ডাক ভোটগ্ৰহণ কেন্দ্ৰত কৰ্মচাৰীসকলে ভোটৰ অধিকাৰ সাব্যস্ত কৰে। এই ভোটদান পৰহিলৈ পৰ্যন্ত চলিব।

লখিমপুৰ জিলাৰ জিলা দণ্ডাধীশে পঞ্চায়ত নিৰ্বাচনৰ বাবে কাইলৈ বিয়লি চাৰে চাৰি বজাৰ পৰা ২ মে'ৰ বিয়লি চাৰে চাৰি বজা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰিছে। এই ঘোষণা ভোটগণনাৰ দিন অৰ্থাৎ ১১ মে' আৰু পুনৰ ভোটগ্ৰহণৰ প্ৰয়োজন হলে পূৰ্বে নিৰ্ধাৰিত দিন ৪ মে'তো কাৰ্যকৰী হৈ থাকিব বুলি উল্লেখ কৰা হৈছে। এই দিনকেইটাত জিলাখনত সুৰা জাতীয় সামগ্ৰীৰ মজুতকৰণ বা ব্যৱহৰ সম্পূৰ্ণ নিষিদ্ধ ঘোষণা কৰা হৈছে। আন কেইবাখনো জিলা প্ৰশাসনেও অনুৰূপ নিৰ্দেশ জাৰি কৰিছে।

বজালী জিলাৰ আয়ুক্ত মৃদুল কুমাৰ দাসে আজি পাঠশালাৰ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা ষ্ট্ৰং ৰূম পৰিদৰ্শন কৰাৰ উপৰি নিৰ্বাচনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাসমূহৰ বুজ লয়।

00000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ আটাইকেইটা শাখাৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। শিক্ষাৰ্থীসকলে কাইলৈ পুৱা ৯ বজাৰ পৰা নিৰ্দিষ্ট ৱেবছাইটৰ জৰিয়তে তেওঁলোকৰ মাৰ্কশ্বিটসমূহ ডাউনল'ড কৰিব পাৰিব। তেওঁলোকে মোবাইল এপৰ জৰিয়তেও মাৰ্কশ্বিটসমূহ চাব পাৰিব। www.ahsec.assam.gov.in, www.assamresult.in, www.result.shiksha, www.schools9.com, assamjobalerts.com আদিকে ধৰি মুঠ ১২টা ৱেবছাইটত শিক্ষাৰ্থীসকলে নিজৰ ৰোল, নম্বৰ আৰু ৰেজিষ্ট্ৰেচন নম্বৰ দি মাৰ্কশ্বিটসমূহ ডাউনল'ড কৰিব পাৰিব। তদুপৰি এণ্ড্ৰইড মোবাইলত **উপলব্ধ** এপ ডাউনল'ড কৰি ফলাফল লাভ কৰিব পাৰিব। বিদ্যালয়ৰ শিক্ষা পৰিষদৰ দুই নম্বৰ সংমগুলে প্ৰকাশ কৰা জাননী অনুসৰি উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ ছপা মাৰ্কশ্বিট আৰু প্ৰমাণপত্ৰ পৰৱৰ্তী সময়ত প্ৰদান কৰা হ'ব। পৰীক্ষাত অনুত্তীৰ্ণ শিক্ষাৰ্থীসকলক ছপা মাৰ্কশ্বিট প্ৰদান কৰা নহয়। অৱশ্যে অনুত্তীৰ্ণ হোৱা কোনো শিক্ষাৰ্থীয়ে ছপা মাৰ্কশ্বিট ল'ব বিচাৰিলে পৰিষদৰ কাৰ্যালয়ত পৃথকভাৱে আবেদন কৰিব লাগিব। কোনো পৰিক্ষাৰ্থীয়ে উত্তৰবহী পুনৰ নিৰীক্ষণৰ লগতে উত্তৰবহীৰ প্ৰতিলিপি বিচাৰিলে বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইটৰ জৰিয়তে আবেদন কৰিব পাৰিব। ফলাফল ঘোষণা কৰাৰ দুদিনৰ পাছত প'ৰ্টেল লিংক মুকলি কৰা হ'ব। উল্লেখযোগ্য যে এইবাৰৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মুঠ ৩ লাখ ২ হাজাৰ ৪২০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

00000

গুৱাহাটীৰ চিবিআই আদালতত বিচাৰাধীন হৈ থকা উগ্ৰপন্থী সংগঠন এন ডি এফ বিৰ বিৰুদ্ধে থকা ৯ টা গোচৰ, অপৰাধ সংঘটিত সংশ্লিষ্ট জিলাৰ চেছন আদালতলৈ স্থানান্তৰ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। উগ্ৰপন্থী

সংগঠনটোৱে অপৰাধমূলক ঘটনা সংঘটিত কৰা স্থান অনুযায়ী সংশ্লিষ্ট জিলাৰ চেছন ন্যায়াধীশৰ আদালতলৈ এই গোচৰসমূহ প্ৰেৰণ কৰা হ'ব। গুৱাহাটীস্থিত চিবিআইৰ বিশেষ আদালতে আজি এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে।

ooooo

চিৰাং জিলাৰ বিজনী চহৰৰ নিকটৱৰ্তী হাৱাৰগাঁৱত থকা নৰ্থ-ইষ্ট মিলিটেৰী স্কুলখন এতিয়াৰে পৰা সৈনিক স্কুল ছ'চাইটিৰ অধীনত পৰিচালিত হ'ব। গৃহ মন্ত্ৰালয়ৰ অধীনৰ সৈনিক স্কুল ছ'চাইটিয়ে শেহতীয়াভাৱে ঘোষণা কৰা দেশৰ এশখন সৈনিক স্কুলৰ ভিতৰত চিৰাঙৰ নৰ্থ-ইষ্ট মিলিটেৰী স্কুলখনেও স্বীকৃতি লাভ কৰিছিল। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি ডা০ ৰতন কুমাৰ ৰয়ে আজি বিজনী মহাবিদ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত এই কথা উল্লেখ কৰে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তক আদৰণি জনায়। অসমৰ নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তেওঁলোকক একোজন সুনাগৰিক হিচাপে গঢ়ি তুলি দেশৰ সেৱাত ব্ৰতি কৰাৰ উদ্দেশ্যে ২০১৯ চনত স্থাপন কৰা নৰ্থ-ইষ্ট মিলিটেৰী স্কুলৰ সৈনিক স্কুল হিচাপে লাভ কৰা স্বীকৃতিক লৈ বিদ্যালয় পৰিচালনা সমিতিয়ে আনন্দ প্ৰকাশ কৰে।

ooooo

মায়ামৰা ধৰ্মৰ প্ৰতিষ্ঠাপক শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱৰ ৪৭২ সংখ্যক আৱিৰ্ভাৱ তিথি উপলক্ষে আজি ডিব্ৰুগড়ৰ মায়ামৰা মদাৰখাট সত্ৰ আৰু মায়ামৰা দিনজয় সত্ৰত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰে এই কাৰ্যসূচীত অংশ লৈ গুৰুজনাৰ প্ৰতি সেৱা জনায়। তেওঁ মায়ামৰা মদাৰখাট সত্ৰৰ সত্ৰাধিকাৰক সাক্ষাৎ কৰি গুৰুজনাৰ অৱদানৰ উপৰি বিশ্ববিদ্যালয়খনত পাঠদান কৰিবলগীয়া অন্যান্য বিষয় সন্দৰ্ভত আলোচনা কৰে।

বিশ্বনাথ জিলাৰ বিহালীৰ বিহমাৰী ৰামহোলী বৰনামঘৰতো আজি দিনজোৰা কাৰ্যসূচীৰে শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱৰ আৱিৰ্ভাৱ তিথি পালন কৰা হয়। অনুষ্ঠানত ধৰ্মধ্বজা উত্তোলন, ভাগৱত ভ্ৰমণ, কবিতা পাঠ, আধ্যাত্মিক গীত-নৃত্য পৰিৱেশন, ভাগৱত ব্যাখ্যা, দিহানাম আদি কাৰ্যসূচী অনুষ্ঠিত হয়।

ooooo

নগাওঁ জিলাৰ ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলামক আজি নগাওঁ আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। কাশ্মীৰৰ পেহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক লৈ বিধায়কগৰাকীয়ে কেতবোৰ বিতৰ্কিত মন্তব্য কৰাৰ অভিযোগত আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰিছিল। নগাওঁ আদালতৰ নিৰ্দেশনা অনুসৰি ৪ দিন আৰক্ষীৰ জিম্মাত ৰখাৰ পাছত তেওঁক আজি নগাওঁ আদালতত হাজিৰ কৰোৱা হয়। আদালতে বিধায়কগৰাকীক জেল হাজোতলৈ প্ৰেৰণ কৰিছে।

ooooo

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ নিৰ্দেশনা অনুসৰি দেশৰ উচ্চ শিক্ষা ব্যৱস্থাত বিপ্লৱৰ সূচনা কৰাৰ লক্ষ্যৰে তেজপুৰ বিশ্ববিদ্যালয়ে ২০২৫-২৬ শৈক্ষিক বৰ্ষত বি টেক, এম বি একে ধৰি ৮টা নতুন পাঠ্যক্ৰম মুকলি কৰিছে। এই দ্বৈত স্নাতক-স্নাতকোত্তৰ পাঠ্যক্ৰম হৈছে বৰ্তমান উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ এনে পাঠ্যক্ৰম, য'ত বি টেক আৰু এম বি এ-ক এটা সংহত পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছে। বিশ্ববিদ্যালয়খনে এই বছৰ আৰম্ভ

কৰা অন্যান্য নতুন পাঠ্যক্ৰমসমূহৰ ভিতৰত ভাষিক আৰু ভাষা প্ৰযুক্তিৰ স্নাতক, সমাজতত্বৰ স্নাতক, সৌৰশক্তি ইঞ্জিনিয়াৰিঙৰ স্নাতকোত্তৰ আদি পাঠ্যক্ৰম অন্যতম। তেজপুৰ বিশ্ববিদ্যালয় ইতিমধ্যে ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে নামভৰ্তি প'ৰ্টেল মুকলি কৰিছে। শিক্ষাৰ্থীসকলক তেজপুৰ বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষা, GAT-B, CUET-UG AND PG, JEE-MAINS, CEED-কে ধৰি আন আন প্ৰৱেশ পৰীক্ষাসমূহৰ জৰিয়তে নামভৰ্তি কৰোৱা হ'ব। তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰৱেশ পৰীক্ষা, TUEE জুনৰ দ্বিতীয় সপ্তাহত অনুষ্ঠিত হ'ব। বিশ্ববিদ্যালয়খনত সম্প্ৰতি ৮৪টা শৈক্ষিক পাঠ্যক্ৰম আছে। আগ্ৰহী শিক্ষাৰ্থীসকলে এই পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অহা ১০ মে'ৰ ভিতৰত www.tezu.ernet.in/academic addmission2025 যোগে অনলাইন আবেদন কৰিব পাৰিব।

০০০০০

বিগত চাৰি বছৰত ৰাজ্যৰ ১০ হাজাৰ হেক্টৰতকৈ অধিক বনভূমি দখলমুক্ত হৈছে। ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণৰ শেহতীয়া প্ৰতিবেদনত এই তথ্য প্ৰকাশ পাইছে। অৱশ্যে দেশৰ ভিতৰতে ৰাজ্যখনত দ্বিতীয় সৰ্বাধিক বনভূমি দখল হৈছে বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে। ৰাজ্যখনৰ ৩ হাজাৰ ৬২১ বৰ্গ কিলোমিটাৰ বনভূমি দখলকাৰীৰ কৱলত আছে । ৰাজ্য চৰকাৰে যোৱা ৪ বছৰত ১০ হাজাৰ ৯০৫ হেক্টৰো অধিক বনভূমি দখলমুক্ত কৰিছে। এই তালিকাখনৰ প্ৰথম স্থানত মধ্য প্ৰদেশ আছে বুলি প্ৰতিবেদনখনত উল্লেখ কৰা হৈছে। এই অনুসৰি দেশৰ ভিন্ন ৰাজ্যত বৰ্তমানেও ১৩ হাজাৰ বৰ্গ কিলোমিটাৰ বনভূমি দখলকাৰীৰ কৱলত আছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত দেলহী কেপিটেলছ্ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত দেলহী কেপিটেলছ্ ১২ পইণ্টেৰে তালিকাৰ চতুৰ্থ স্থানত থকাৰ বিপৰীতে কলকাতা নাইট ৰাইডাৰ্ছ ৭ পইণ্টেৰে সপ্তম স্থানত আছে। সম্প্ৰতি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু ১৪ পইণ্টেৰে তালিকাৰ শীৰ্ষ স্থানত আছে।

০০০০০

ধুবুৰী পৌৰসভাৰ প্ৰাক্তন পৌৰপতি, বিশিষ্ট সমাজসেৱক কল্যাণ পুৰকায়স্থৰ আজি গুৱাহাটীৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৮ বছৰ। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা ব্যক্তিগৰাকী জিলাখনৰ বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোত জড়িত আছিল। তেওঁ হিন্দু জাগৰণ মঞ্চৰ জিলা সমিতিৰ সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। প্ৰাক্তন পৌৰপতিগৰাকীৰ মৃত্যুত বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**